# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা


নং ঃ ১০৭/২০২০

**শিৱসাগৰক আইক'ণিক স্থান হিচাপে উন্নীতকৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত পৰ্যালোচনামুলক বৈঠক**

## ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে বিস্তৃত ভৱিষ্য দৰ্শন পৰিকল্পনা প্ৰস্তুতৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৫ মাৰ্চ ঃ** এইবাৰৰ কেন্দ্ৰীয় বাজেটত শিৱসাগৰক আইক'ণিক স্থান হিচাপে উন্নীত কৰাৰ ঘোষণাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পুৰাতত্ত্ব সঞ্চালকালয়ক ইয়াৰ বাবে ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে এক বিস্তৃত ভৱিষ্যত দৰ্শনৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিছে। আজি শিৱসাগৰক আইকণিক স্থান হিচাপে উন্নীতকৰণৰ বিষয়সমূহ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আয়োজিত এক বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে এই নিৰ্দেশ প্ৰদান কৰে।

শিৱসাগৰ জিলাৰ বৰ্ণিল ঐতিহ্য সমল সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে পুৰাতত্ত্ব সঞ্চালকালয়ক আৰ্কিঅ'ল'জিকেল চাৰ্ভে অৱ ইণ্ডিয়া, ৰাজ্যিক পুৰাতত্ত্ব বিভাগ আৰু জিলা প্ৰশাসনে তালিকাভুক্ত কৰা ঐতিহাসিক তথা সংৰক্ষিত স্থানসমূহৰ ক্ষেত্ৰভিত্তিক জৰীপ কাৰ্য চলোৱাৰ বাবেও নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এই স্থানসমূহ চিনাক্ত কৰি এই ঐতিহাসিক সমলৰ ব্যৱহাৰ তথা নিৰ্মাণৰ সময়ৰ ওপৰত ভিত্তি কৰি এইসমূহক সাংস্কৃতিক, সামাজিক, আধ্যাত্মিক আৰু ক্ৰীড়া ইত্যাদি ভাগত বিভক্ত কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে পুৰাতত্ত্ব সঞ্চালকালয়ক আহোম শাসন কালৰ সময়ৰ সকলোবোৰ ঐতিহাসিক স্থানৰ বিস্তৃত বিৱৰণ তথা ভিডিঅ'গ্ৰাফী কৰাৰ পদক্ষেপ ল'বলৈ উপদেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে সকলোবোৰ স্থানৰ সৌন্দৰ্যবৰ্দ্ধনৰ দিশত দ্ৰুত পদক্ষেপ আৰু পৰ্যটনৰ চাৰ্কিট গঢ়ি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে জিলাখনৰ পৰ্যটনৰ সম্ভাৱনীয়তাখিনি উপযুক্তভাৱে বিকশাই তুলিব পৰা যায়।

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে পুৰাতত্ত্ব সঞ্চালকালয়ক জনসাধাৰণৰ মাজত থকা আহোম যুগৰ নথি-পত্ৰসমূহ চৰকাৰৰ ওচৰত সংৰক্ষণৰ উদ্দেশ্যৰে জমা দিয়াৰ বাবে এক গোহাৰি প্ৰদান কৰাৰ বাবে পৰামৰ্শ দিয়ে যাতে এইসমূহ বিস্তৃত ভৱিষ্য দৰ্শন পৰিকল্পনাত উপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উপায়ুক্তদ্বয়ক ঐতিহাসিক স্থানসমূহৰ সীমা বিবাদৰ বিষয়সমূহ স্থানীয় জনসাধাৰণৰ সৈতে আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকতে চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য স্থান হিচাপে উন্নীত কৰাৰ বিষয়সমূহো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তক এই সম্বন্ধে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ চলাবলৈ নিৰ্দেশ দিয়াৰ লগতে মৈদামৰ সীমা নিৰ্দ্ধাৰণৰ বিষয়টো ক্ষিপ্ৰভাৱে সম্পন্ন কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত জলসম্পদ তথা পুৰাতত্ত্ব বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধান সভাৰ বিৰোধী দলপতি তথা নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া, ৰাজহ বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, বিধায়কসকল ক্ৰমে প্ৰদীপ হাজৰিকা, কুশল দুৱৰী, নন্দিতা সন্দিকৈ, অশোক শৰ্মা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, পুৰাতত্ত্ব বিভাগৰ সঞ্চালক ড° দীপি ৰেখা কৌলী, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উপায়ুক্ত দ্বয়কে ধৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ / পুঃডেঃ / প্ৰঃ কুঃ বঃ**
**৫-০৩-২০২০**